# সপ্তম শ্ৰেণী | বিজ্ঞান

## অধ্যায় - ৫ | বিদ্যুৎ প্ৰৱাহ আৰু ইয়াৰ ক্ৰিয়া

QUIZ-01

**1. বৈদ্যুতিক কোষৰ দীৰ্ঘ তৰখাই কি সূচায় ?**
A. ঋণাত্মক প্ৰান্ত
B. ধনাত্মক প্ৰান্ত
C. সম্পূৰ্ণ বৰ্তনী
D. ছুইচ
**Answer: B**
**Explanation:** বৈদ্যুতিক কোষত দীৰ্ঘ তৰখা ধনাত্মক প্ৰান্ত আৰু সৰু তৰখা ঋণাত্মক প্ৰান্ত সূচায়।

**2. কোষসমূহ সংযুক্ত কৰি তৈয়াৰ কৰা সংমিশ্ৰণক কি বোলা হয়?**
A. ছুইচ
B. বেটাৰী
C. ফিউজ
D. বাল্ব
**Answer: B**
**Explanation:** বহুত কোষ একেলগে সংযুক্ত কৰিলে তাক বেটাৰী বুলি কোৱা হয়।

**3. ছুইচ 'ON' অৱস্থাত থকা মানে কি ?**
A. বৰ্তনী অসম্পূৰ্ণ
B. বৰ্তনী সম্পূৰ্ণ
C. বাল্ব পুৰি যায়
D. কোষ কাম নকৰে
**Answer: B**
**Explanation:** ছুইচ 'ON' অৱস্থাত থকাৰ অৰ্থ বৰ্তনী সম্পূৰ্ণ হয় আৰু প্ৰৱাহ চলি থাকে।

**4. বৈদ্যুতিক বাল্বৰ ভিতৰত থকা ফিলামেণ্ট কি ধাতুৰে নিৰ্মিত ?**
A. কপাৰ
B. ছিলভাৰ
C. টংষ্টেন
D. লোহা
**Answer: C**
**Explanation:** বৈদ্যুতিক বাল্বৰ ফিলামেণ্ট টংষ্টেনৰ দ্বাৰা নিৰ্মিত, যিয়ে উচ্চ উষ্ণতাতো গলি নাযায়।

**5. বৈদ্যুতিক প্ৰবাহে তাপ উৎপন্ন কৰাৰ কাৰণ কি?**
A. বতাহ
B. প্ৰৱাহৰ বাধা
C. মাটিৰ সংযোগ
D. ভল্টেজৰ হ্ৰাস
**Answer: B**
**Explanation:** পৰিবাহকৰ বাধাৰ বাবে বৈদ্যুতিক প্ৰবাহে তাপ উৎপন্ন কৰে, যাক জুলৰ তাপীয় প্ৰভাৱ বোলা হয়।

**6. বৈদ্যুতিক ফিউজৰ মূল উদ্দেশ্য কি ?**
A. পোহৰ দি ৰাখে
B. ধ্বনি উৎপন্ন কৰে
C. সুৰক্ষাৰ বাবে বৰ্তনী ভঙা
D. প্ৰবাহ বঢ়োৱা
**Answer: C**
**Explanation:** ফিউজ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰা হয়; প্ৰবাহ সীমা অতিক্ৰম কৰিলে ফিউজৰ তাৰ গলি বৰ্তনী ভঙি দিয়ে।

**7. হান্স খ্ৰীষ্টিয়ান অ'ৰষ্টেডে কি আবিষ্কাৰ কৰিছিল?**
A. বৈদ্যুতিক বাল্ব
B. বৈদ্যুতিক ঘণ্টা
C. প্ৰবাহৰ চুম্বকীয় প্ৰভাৱ
D. ফিউজ
**Answer: C**
**Explanation:** হান্স খ্ৰীষ্টিয়ান অ'ৰষ্টেডে বৈদ্যুতিক প্ৰবাহৰ চুম্বকীয় প্ৰভাৱ আবিষ্কাৰ কৰিছিল।

**8. বৈদ্যুতিক চুম্বকত চুম্বকত্ব কেনেদৰে সৃষ্টি হয় ?**
A. ধাতুৰ গলন
B. প্ৰবাহ থকা তাঁৰ
C. গছৰ কাষত ৰখা
D. বেটাৰী সলনি কৰা
**Answer: B**
**Explanation:** বৈদ্যুতিক প্ৰবাহ থকা কুণ্ডলীত চুম্বকত্ব উৎপন্ন হয়, ইয়াক বৈদ্যুতিক চুম্বক বোলা হয়।

**9. বৈদ্যুতিক ঘণ্টাৰ কাৰ্য কোনটোত আধাৰিত ?**
A. জুলৰ তাপীয় প্ৰভাৱ
B. বৈদ্যুতিক প্ৰবাহৰ চুম্বকীয় প্ৰভাৱ
C. ফিউজৰ গলনাংক
D. কোষৰ শক্তি
**Answer: B**
**Explanation:** বৈদ্যুতিক ঘণ্টাৰ কাম বৈদ্যুতিক প্ৰবাহৰ চুম্বকীয় প্ৰভাৱত আধাৰিত।

**10. ISI চিহ্ন থকা বৈদ্যুতিক সামগ্ৰী ব্যৱহাৰৰ মুখ্য কাৰণ কি?**
A. বেছি উজ্জ্বলতা পায়
B. বেছি শক্তি খায়
C. সুৰক্ষা আৰু গুণগত মান নিশ্চিত কৰে
D. সস্তা হয়
**Answer: C**
**Explanation:** ISI চিহ্ন থকা বৈদ্যুতিক সামগ্ৰী ব্যৱহাৰ কৰিলে সুৰক্ষা আৰু গুণগত মান নিশ্চিত হয়।

Under CSR Support by Ipca Foundation
missiongyan LET'S LEARN TOGETHER
मिशन ज्ञान
जब चाहें, जहाँ चाहें, जैसे चाहें!
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App
DOWNLOAD MISSION GYAN APP